Assam Legislative Assembly Debates



OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

SEPTEMBER SESSION

No. 1

The 18th September, 1995
Price Rs.24.50

CONTENTS

SEPTEMBER SESSION

No. 1

Dated, the 18th September, 1995

1. Questions and Answers..... 1
2. Adjournment Motion..... 35
3. Zero Hour Notices 36
4. Annoucement from the chair..... 41
5. Panel of Chairman 42
7. Call Attention Notice 42
8. Statement by Chief Minister 45
9. Presentation of the list of Supplementary Demands for Grants And Supplementary Appropriations 46
10. Laying of Reports 47
11. Presentation of Reports 47
12. Motion for Eleetion of Members to the..... Commitee on welfare of O. B. C & MOBC 47
13. Obituary References 48
14. Adjournment 53
15. Annexure 55

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

The 18th September, 1995

The House met at 9. A.M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS
(To which oral replies were given)

Mr. Speaker : The House is in order. Now Starred Question No. 1. Hon'ble Chief Minister is to reply.

বিষয় ঃ পঞ্জাৰ কমাণ্ডো আমদানি

শ্ৰী অতুল ববা,
শ্ৰী হিতেশ্বৰ ডেকা,
শ্ৰী বদ্ৰীনাৰায়ণ সিং
শ্ৰী পবিমল শুক্লবদ্য
ডাঃ কমলা কলিতা

ই সুধিছে ঃ

* ১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) পঞ্জাৰ কমাণ্ডোৰ কিমান জোৱান অসমলৈ আমদানি কৰা হৈছে?

খ) এই জোৱানসকলক পুহি ৰখাৰ বাবে ৰাজ্য চৰকাৰে কিমান টকা খৰচ কৰি আছে?

গ) এই পঞ্জাৰ কমাণ্ডোক অনতিপলমে উভতাই পথাবনে?

ঘ) পঞ্জাৰ কমাণ্ডো, সেনাবাহিনী আৰু চি, আৰ, পি, এফ, এই তিনিটাৰ বাবে চৰকাৰে কিমান টকা প্ৰতি মাহে আৰু প্ৰতি বছৰে খৰচ কৰিছে, বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালছোৱাত?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ১০ টা ক'ম্পানি।

খ) বছৰি ৩ কৌটি ৫৬ লাখ টকা (প্ৰায়)।

গ) আইন-শৃংখলা পৰিস্থিতিৰ প্ৰয়োজনৰ ওপৰতহে সিদ্ধান্ত নিৰ্ভৰ কৰিব।

ঘ) পঞ্জাৰ কমাণ্ডো আৰু অৰ্ধ-সামৰিক বাহিনীৰ বাবে মাহে গড়ে প্ৰায় ১ কৌটি ৬০ লাখ আৰু বছৰি প্ৰায় ১৯ কৌটি ২০ লাখ টকা খৰচ হয়।

* **শ্ৰীঅতুল বৰা ঃ** — মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খোজো যে, পঞ্জাৰ কামাণ্ডোই হাফলং আৰু চযুগাৱত যি অৱৰ্ণনীয় অত্যাচাৰ কৰিছে সেই সম্পৰ্কে তেখেতে তেখেতৰ স্থিতি প্ৰকাশ কৰিবনে আৰু পঞ্জাৰ কমাণ্ডোক অসমৰ পৰা আতৰাই পঠোৱাৰ বিষয়ে বক্তব্য ৰাখিবনে?

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ**— হাফলং আৰু ছয়গাওঁ সমষ্টিত যিবিলাক ঘটনা হৈছে সেইবিলাক তদন্ত কৰিবলৈ দিয়া হৈছে। পঞ্জাৰ কমাণ্ডো এতিয়াই পঠোৱাৰ সিদ্ধান্ত লোৱা নাই।

* **শ্ৰীঅতুল বৰা ঃ**— অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিভিন্ন সময়ত সন্ত্ৰাসৰ বিৰুদ্ধে বক্তব্য ৰাখিছে। কিন্তু পঞ্জাৰ কমাণ্ডো অসমলৈ আনি অসমত যি চৰকাৰী সন্ত্ৰাসৰ সৃষ্টি কৰিছে সেইটো আপুনি স্বীকাৰ কৰিছেনে?

মাননীয় অধ্যক্ষ ঃ- The question is different, you wanted information ..... This is different. It should be related to the question.....

* **শ্ৰীঅতুল বৰা ঃ**— আজি অসমত যিবিলাক অত্যাচাৰ উৎপীড়ন পঞ্জাৰ কমাণ্ডোৱে কৰিছে তাৰ দায়িত্ব মুখ্যমন্ত্ৰী মহোদয়ে লৈছে নেকি?

মাননীয় অধ্যক্ষ ঃ— এইবিলাক প্ৰশ্নৰ উত্তৰ নহয়।

* **শ্ৰীহিতেশ্বৰ শইকীয়া** (মুখ্যমন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, অসমৰ শান্তি শৃংখলাৰ বাবে পঞ্জাৰ কমাণ্ডো অনা হৈছে।

* **ডাঃ কমলা কলিতা ঃ**— অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে জনাবনেকি যে, বৰ্ত্তমান অসমত যিটো আইন শংখলাৰ পৰিস্থিতি সেই পৰিস্থিতি নিয়ন্ত্ৰনৰ বাহিৰতনেকি মই একেলগে দুটা প্ৰশ্ন কৰিব বিচাৰিছো। আনটো হৈছে যে, অসমত যি পুলিচ বা বেটেলিয়ান বা আৰক্ষী বাহিনী আছে তেওঁলোক অসমৰ আইন শৃংখলা ৰক্ষা কৰাৰ বাবে কম্পিটেণ্ট নহয় নেকি?

* **শ্ৰীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্ৰী) ঃ- অধ্যক্ষ মহোদয়, আইন শৃংখলা নিয়ন্ত্ৰন কৰিবলৈকে অনা হৈছে। দ্বিতীয়তে অসমৰ আৰক্ষী বাহিনী সংখ্যাত যথেষ্ট কম। গতিকে অসমৰ বাবে পেৰা-মিলিটেৰি ফৰ্চ বাহিৰৰ পৰা আনিব লগা হৈছে।

মাননীয় অধ্যক্ষ ঃ- There will be only one supplementary at a time.

---

* Speech not corrected

* **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ- অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে কৈছে যে, অসমৰ আইন শৃংখলাৰ পৰিস্থিত নিয়ন্ত্রন হৈছে। গতিকে মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যদিহে অসমৰ আইন শৃংখলাৰ পৰিস্থিতি নিয়ন্ত্রণ হৈছে তেনেহলে আজি ১ কৌটি ৬০ লাখ টকা খৰচ কৰি (মাহে) পঞ্জাৰ কমাণ্ডো কিয় ৰাখিব লগা হৈছে? দ্বিতীয়তে, আপোনালোকে যধে মধে অত্যাচাৰ চলোৱাৰ বাবেই পঞ্জাৰ কমাণ্ডো আনিছে নেকি?

মাননীয় অধ্যক্ষ ঃ - এটা প্রশ্ন কৰাৰ পিচত উত্তৰ পোৱাৰ পিচতহে আনটো প্রশ্ন কৰিব লাগে।

* **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ – যদিহে পৰিস্থিতি নিয়ন্ত্রন হৈছে তেনেহলে পঞ্জাৰ কমাণ্ডোৰ প্রয়োজন কিয় হৈছে।

মাননীয় অধ্যক্ষ ঃ– একেলগে দুটা চাপ্লিমেণ্টৰী নহব।

* **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ– অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয়ে সদনত কৈছে যে আইন শৃংখলাৰ পৰিস্থিতি নিয়ন্ত্রন হৈছে। গতিকে পঞ্জাৰ কমাণ্ডো ইয়াত ৰাখি প্রতি মাহে ইমান টকা খৰচ কৰাৰ প্রয়োজন নাই।

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ- অধ্যক্ষ মহোদয়, পেৰা মিলিটেৰিৰ জৰিয়তে পৰিস্থিতি নিয়ন্ত্রাধীন কৰা হৈছে।

* **শ্রীপ্রমোদ গগৈ** ঃ– অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে পঞ্জাৰ কমাণ্ডো সম্পর্কত সদনত যিটো উত্তৰ দিছে সেই সম্পর্কে স্পষ্ট কৰি কবনেকি? অসমৰ বিভিন্ন ঠাইত যেনে শিলিগুৰিৰ ওচৰত ধুপগুৰিত পার্বতী নার্জাৰী নামৰ ছোৱালী এগৰাকীক ধর্ষণ কৰিছে আৰু মঙ্গলদৈৰ ওচৰত তেৰগাৱত ট্রাইবেল ছোৱালী অঞ্জলী নার্জাৰী ৰত্নেশ্বৰী দাস নামৰ এগৰাকী ছোৱালীক ধর্ষণ কৰাৰ ফলত হস্পিতালত ভয়াবহ অৱস্থাত আছে। তাৰোপৰি সদনৰ মাননীয় সদস্যা শ্রীমতী প্রমীলা ব্রহ্ম পঞ্জাৰ কমাণ্ডোৱে কি ভাবে অপমানিত কৰিলে, এইবিলাক গোচৰ পোৱাৰ পিচতো চৰকাৰে পঞ্জাৰ কমাণ্ডোৰ বিৰুদ্ধে কিবা ব্যৱস্থা লৈছেনেকি? গতিকে এই বাহিনীটোৱে কিমান মানুহক ধর্ষণ, অত্যাচাৰ কৰিব সেইটো কোৱা টান। গতিকে পঞ্জাৰ কামাণ্ডোৰ এই কেচ সম্পর্কত কি ব্যৱস্থা লোৱা হৈছে আৰু ততালিকে তেওঁলোকক অসমৰ পৰা বাহিৰ কৰাৰ ব্যৱস্থা কৰিবনে জনাব লাগে।

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ- অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যিটো প্রশ্ন কৰিছে সেই সকলো বিলাক তদন্ত কৰিবলৈ দিয়া হৈছে। দ্বিতীয়তে যোৱা ২৪ মার্চ তাৰিখেই সদনত যেতিয়া পঞ্জাৰ কমাণ্ডোৰ কথা কৈছিলো তেতিয়াই কোৱা হৈছিল যে, আমাৰ

---

* Speech not corrected

ইয়াত আৱশ্যকীৱ সংখ্যা কম। ১৯৯০ চনত অসমত পেৱা মিলিটেৰী ফৰ্চ আছিল ২৬০ টা কোম্পানী কিন্তু এতিয়া ৩০ টা কোম্পানী আছে। ১৯৯০ চনত ২৬০ টা কোম্পানীয়ে আইন শৃংখলা নিয়ন্ত্রন কৰিব পৱা নাছিল। গতিকে আজি ৩০ টাই কেনেকৈ কৰিব। গতিকে পঞ্জাৱ কমাণ্ডো আনিব লগা হ'ল। কেন্দ্রীয় চৰকাৰে আমাক চি, আৰ, পি, এফ বা বি, এচ, এফ দিব নোৱাৰাৰ বাবে পঞ্জাৱ কমাণ্ডো আমাক দিছে। আমাক কেন্দ্রীয় চৰকাৰে আৰু কিছু পেৱা মিলিটেৰি ফৰ্চ দিব পাৰে তেনেহলে আমি পঞ্জাৱ কমাণ্ডো পঠাই দিম।

মাননীয় অধ্যক্ষ ঃ- I expunge all these words from the proceedings ... Now Question No 2. Hon'ble Chief Minister is to reply.

(সদনত গন্দগোল)

বিষয় ঃ গৌতম বৰুৱাৰ হত্যাৰ তদন্ত।

শ্রীভৃগেন বয়ে সুধিছে ঃ

* ২ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) কটন কলেজৰ ছাত্র গৌতম বৰুৱাৰ হত্যা / মৃত্যুৰ তদন্ত বর্ত্তমান কি পর্য্যায়ত আছে অনুগ্রহ কৰি জনাবনে?

খ) এই হত্যা সংক্রান্তত কিবা গোচৰ ৰুজু হৈছে নেকি? যদি হৈছে এই সংক্রান্তত কিমানজন দোষীক গ্রেপ্তাৰ কৰা হল জনাবনে?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) তদন্ত চলি আছে।

খ) ভাৰতীয় দন্ডবিধি আইনৰ ২৭৯/৩০৪ (এ) ধাৰামতে চান্দমাৰী থানাত ২২৮/৯৫ নংত গোচৰ পঞ্জীভুক্ত কৰা হৈছে। এতিয়ালৈকে এই সংক্রান্তত কাকো গ্রেপ্তাৰ কৰা হোৱা নাই।

(সদনত ভীষণ গণ্ডগোল)

মাননীয় অধ্যক্ষ ঃ- কুৱেচনটো ডিফাৰেণ্ট, এইবোৰ কথা ইয়াত নাহে।

(সদনত পুনৰ গণ্ডগোল)

* **শ্রীযতীন মালী** ঃ— অধ্যক্ষ মহোদয়, ছয়গাৱত ডি, জি, পিৰ সন্মুখত পুলিছে ঘৰ জ্বলাইছে।

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ— এইবোৰ কথা ইয়াৰ লগত আলোচনা নহয়।

This is question hour, where is the scope .....

(at this stage a few members of the opposition walked out of the House).

I now adjourn the House for 20 minuts and invite Leader of the Opposition to my chamber for a discussion.

THE ASSEMBLY RESUMES AFTER 20 MINUTES BREAK ON 18 TH SEPTEMBER, 1995 WITH HON'BLE SPEAKER IN THE CHAIR.

Mr. Speaker : Starred question No. 3, Hon'ble Member Shri Nijamuddin Khan.

Hon'ble Chief Minister is to reply.

বিষয় ঃ আৰক্ষী জিম্মাত মৃত্যু হোৱা লোকৰ সংখ্যা।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

* ৩। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) আৰক্ষী জিম্মাত মৃত্যু হোৱা লোকৰ সংখ্যা কিমান?
(১৯৯১ চনৰ ৩০ জুনৰ পৰা ১৯৯৫ চনৰ ৩১ আগষ্টলৈ)

খ) আৰক্ষী জিম্মাত হোৱা মৃত্যুৰ সন্দর্ভত তদন্তৰ ব্যৱস্থা কৰা হৈছে নে?

গ) আৰক্ষী জিম্মাত মৃত্যু হোৱা লোকৰ পৰিয়াললৈ ক্ষতিপুৰণ দিয়া হৈছে নে?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ৫৩ জন।

খ) হৈছে।

গ) হোৱা নাই।

* **শ্রীনিজামুদ্দিন খান** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্রীৰ পৰা জানিব বিচাৰিছো যে আৰক্ষীৰ জিম্মাত —(প্রশ্ন অসম্পূর্ণ ৰয়)

* **শ্রীপ্রফুল্ল কুমাৰ মহন্ত** ঃ— অধ্যক্ষ মহোদয়, এটা পইণ্ট অব অর্ডাৰ আছে, প্রশ্ন নং ২ ত পৰিপূৰক প্রশ্ন কৰিবলৈ দিয়া হোৱা নাই।

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ— মই দিছো, তেখেতে সোধা নাই।

* ড° জয়নাথ শর্মা ঃ-- অধ্যক্ষ মহোদয়, ১ নং প্রশ্নৰ আলোচনা কৰোতে আপুনি মাননীয়া শ্রীমতী প্রমিলা ৰাণী ব্রহ্মৰ সম্পর্কত চাপ্লিমেণ্টেৰী কৰোতে এৰাই যাবলৈ ধৰিছে। পঞ্জাব কমাণ্ডোক গুণ্ডা, লম্পট, লেতেৰা বুলি কওঁতে আপুনি বেয়া পাইছে কিন্তু প্রশ্নটোত পুহি ৰখাৰ কথা কোৱা হৈছে — আমি কাক পুহি ৰাখো গৰু, ছাগলীকহে পুহি ৰাখো, এই পঞ্জাব কমাণ্ডোকো আমি গৰু ছাগলীৰ দৰে পুহি ৰাখিছো — গতিকে মাননীয় অধ্যক্ষই এইটো ক্লাৰিফাই কৰিব লাগে?

মাননীয় অধ্যক্ষ ঃ— কুৱেচনত এইবোৰ কথা নাহে।

* ড° জয় নাথ শর্ম্মা ঃ— অধ্যক্ষ মহোদয়, আপুনি সদস্যা শ্রীমতী ব্রহ্মৰ লগত পঞ্জাব কমাণ্ডোৰ লোকে কৰা অশালীন ব্যৱহাৰৰ কথাটো এৰাই যাব খুজিছে।

* শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ— অধ্যক্ষ মহোদয়, শ্রীমতী ব্রহ্মৰ প্রতি আপোনাৰ দায়িত্ব আছে।

— (সদনত গণ্ডগোল) —

* শ্রীনগেন শর্ম্মা ঃ— অধ্যক্ষ মহোদয়, শ্রীমতী প্রমিলা ব্রহ্মৰ কথাটো আপুনি স্পেচিয়েলাইজ কৰি লওক। তেখেত এই সদনৰ সদস্যা। আপুনি ৰক্ষণাবেক্ষণ দিব লাগে। এই ক্ষেত্রত আপুনি এটা ৰুলিং দিয়ক।

— (সদনত পুনৰ গণ্ডগোল) —

(এ, এচ, ডি, চিৰ সদস্য সকলে সদন ত্যাগ কৰে অধ্যক্ষৰ ৰুলিঙত সন্তুষ্ট নহে)।

মাননীয় অধ্যক্ষ ঃ— শ্রীমতী প্রমিলা ৰাণী ব্রহ্মৰ ক্ষেত্রত চৰকাৰে তদন্ত কৰিব বুলি মই ভাবো।

* ড° জয় নাথ শর্মা ঃ— অধ্যক্ষ মহোদয়, শ্রীমতী ব্রহ্মৰ ফিলিংটো বুজি লৈ আপুনি চৰকাৰক নির্দ্দেশ দিয়ক বিষয়টো অনুসন্ধান কৰিবলৈ।

* শ্রীপ্রমোদ চন্দ্র গগৈ ঃ— মাননীয় অধ্যক্ষ মহোদয়, সদনত শ্রীমতী ব্রহ্ম উপস্থিত আছে গতিকে তেখেতৰ বক্তব্য আমি সকলোৱে শুনিব লাগে।

মাননীয় অধ্যক্ষ ঃ— এইটো কুৱেচন আৱাৰত কেনেকৈ সম্ভৱ হব? সদনত এইবোৰ বিষয়ে আলোচনা কৰিবলৈ বহুত সময় পাব। স্কোপ পাব।

— (সদনত পুনৰ গণ্ডগোল লাগে)

(সদন ২০ মিনিটৰ বাবে স্থগিত থাকে)

মাননীয় অধ্যক্ষ ঃ— মাননীয় সদস্যা শ্রীমতী প্রমীলা ব্রহ্ম ডাঙৰীয়া, আপুনি মোক ঘটনাটোৰ সম্পর্কত আগতে জনাব লাগিছিল। কিন্তু আপুনি মোক জনোৱা নাই। তথাপি আজি কুৱেচন আৱাৰৰ পিচত আপুনি মোক এই সম্পর্কে জনাব।

---

* Speech not corrected

(সদনত গন্দগোল)

* **শ্রীঅতুল বৰা** ঃ— মাননীয় অধ্যক্ষ মহোদয়, আপুনি ১ নং প্রশ্নটোৰ পৰিপুৰক প্রশ্নৰ ক্ষেত্রত ২০ মিনিট সময় দিছে। কিন্তু ২ নং প্রশ্নটোৰ ক্ষেত্রত আলোচনা কিয় কৰিব নিদিল?

(সদনত গন্দগোল)

* **শ্রীহিতেন্দ্র নাথ গোস্বামী** ঃ— অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অর্ডাৰ আছে। ১ নং প্রশ্নটো আলোচনা কৰা সময়ত আপুনি যথেষ্ঠ সময় দিছে কিন্তু ২ নং প্রশ্নটো আলোচনা কৰিবলৈ আপুনি আমাক সময় নিদিলে। ২ নং প্রশ্নটো আলোচনা কৰি থকা অৱস্থাতে আপুনি সদন স্থাগিত কৰিছে। গৌতম বৰুৱাৰ হত্যাকাণ্ড সম্পর্কত কেনে পৰিস্থিতি উদ্ভৱ হৈছে সেইটো আমি আলোচনা কৰিব বিচাৰিছো। এই ক্ষেত্রত মাননীয় মুখ্য মন্ত্রী মহোদয়ে আমাক উত্তৰ দিলে ভাল হয়।

—(সদনত গন্দগোল) —

* **শ্রীনিজামুদ্দিন খানা** ঃ— অধ্যক্ষ মহোদয়, আৰক্ষী জিম্মাত মৃত্যু হোৱা লোকৰ যিটো সংখ্যা মাননীয় মুখ্য মন্ত্রী মহোদয়ে ৩ নং প্রশ্নৰ উত্তৰত দিছে সেই লোকসকল কি পৰিস্থিতিত আৰক্ষীৰ জিম্মাত মৃত্যু বৰণ কৰিলে সেই বিষয়ে জনাব নে?

* **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, বিগত ৩০/৬/৯১ তাৰিখৰ পৰা ৩১/৮/৯৫ তাৰিখ পর্য্যন্ত মুঠ ৫৩ টা আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা ঘটনা হয়। আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা ঘটনাবোৰৰ ভিতৰত ১০ টা আত্মহত্যা। জনসাধাৰণৰ দ্বাৰা প্রহৃত হোৱাৰ ফলত ১৩ টা গুলিয়াই স্থলিত আহত হৈ কৰায়ত্ব হোৱা উগ্রপন্থী ৮ টা, গ্রেপ্তাৰ কৰাৰ সময়ত আহত হোৱা কাৰণে ১১টা, চলন্ত যানৰ পৰা জপিয়াহ ২ টা, অসুস্থতাৰ বাবে ৩ টা, ওখ ঠাইৰ পৰা পৰি আহত হয় ১ টা, অত্যধিক মদ্যপান কৰি ১ টা, পানীত ডুবি ১ টা, আৰক্ষীৰ হাতৰ পৰা পলাই যাবলৈ চেষ্টা কৰোতে ১ টা, পুলিচ এচাল্ট ১ টা, এক্সিডেণ্টেল ফায়াৰিং ১ টা।

এই ঘটনাবোৰৰ সংক্রান্তত মুঠতে উপ পৰিদর্শক ৯ জন, সহকাৰী পৰিদর্শক ৫ জন, কণিষ্টবল ১৮ জন, লেণ্সনায়ক ১ জনৰ ওপৰত আইনগত ব্যৱস্থা লোৱা হৈছে।

* **শ্রীনিজামুদ্দিন খান** ঃ— অধ্যক্ষ মহোদয়, মুখ্য মন্ত্রী মহোদয়ে যিটো উত্তৰ দিছে সেইবোৰ তদন্ত কৰি তদন্তৰ প্রতিবেদনৰ ওপৰত ভিত্তি কৰি দিছে নে তদন্ত কৰিবলৈহে দিছে। এই তদন্ত এতিয়ালৈকে কিমানটা সম্পূর্ণ কৰা হৈছে।

---

* Speech not corrected

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ ডাঙৰীয়া, এই ৫৩ টা ঘটনাৰ আটাইবোৰৰ তদন্ত কৰা হৈছে। ইয়াৰ ভিতৰত উচ্চ ন্যায়ালয়ৰ দ্বাৰা ১ টা, ন্যায়িক দণ্ডাধীশৰ দ্বাৰা ২ টা ঘটনাৰ তদন্ত কৰা ঘটনাৰ ভিতৰত এতিয়ালৈকে ১৫ টাৰ প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিছে।

* **শ্রীভৃগু কুমাৰ ফুকন** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আজি কিছু দিন আগতে শোৱালকুচীৰ হৰগোবিন্দ দাস নামৰ ব্যক্তি এজনক ৰাতি কোনোবাই হত্যা কৰি বাটৰ দাতিত পেলাই থৈ যায়। এই সম্পৰ্কত তদন্ত কৰা হৈছে নে নাই আৰু সেই হত্যা কাণ্ডত কোন দায়ী সেই সম্পৰ্কে জনাব নে?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ ডাঙৰীয়া, এই ঘটনাটো তদন্ত কৰিবলৈ দিয়া হৈছে।

* **ডঃ জয়নাথ শর্ম্মা** ঃ- অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্রী মহোদয়ে মদ খায় মৃত্যু হোৱাৰলোকৰ সংখ্যাও তেখেতৰ উত্তৰত দিছে। এতিয়া কথা হ'ল পুলিচৰ জিম্মাত থাকোতে মদ কেনেকৈ খাবলৈ পালে?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— মদ খাই থকা অৱস্থাত তেওঁক ধৰি অনা হৈছিল।

* **শ্রীশশ কমল সন্দিকৈ** ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমি এটা দেখিছো যে আৰক্ষীয়ে যধে মধে লোকক গ্রেপ্তাৰ কৰিবলৈ গৈ তেওঁক নাপায় দেউতাককে ধৰি আনি থানাৰ লকআপত ৰাখে আৰু মাৰ ধৰ কৰে। এই সম্পৰ্কত মুখ্য মন্ত্রী মহোদয়ে তদন্ত কৰিছে নেকি?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ ডাঙৰীয়া, এনে আটাইবোৰ ঘটনাৰে তদন্ত কৰা হৈছে।

* **শ্রীআলাউদ্দিন চৰকাৰ** ঃ— অধ্যক্ষ মহোদয়, আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা ঘটনাৰ ক্ষেত্রত আমাৰ ৰাজ্যখনে দ্বিতীয় স্থান পাইছে নেকি?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্রত অসমৰ স্থান বহুত তলত।

* **শ্রীনগেন শর্ম্মা** ঃ— মাননীয় অধ্যক্ষ মহোদয়, দোষী ব্যক্তিক বিচাৰি নাপায় পৰিয়ালৰ লোকক যধে মধে ধৰি নি মাৰপিত কৰি লকআপত ৰখা ঘটনা কিমানটা হৈছে আৰু সেই ক্ষেত্রত কি ব্যৱস্থা লোৱা হৈছে মুখ্যমন্ত্রী মহোদয়ে জনাব নে?

---

* Speech not corrected

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ ডাঙৰীয়া, এনে ঘটনাৰ গোচৰ মোৰ দৃষ্টিগোচৰ হলে নিশ্চয় ব্যৱস্থা লোৱা হ'ব।

* **শ্রীনগেন শর্ম্মা** ঃ— অধ্যক্ষ মহোদয়, নলবাৰীত মহেশ দাস নামৰ লোক এজনক পুলিচে ধৰি আনি মাৰপিত কৰে। এই ক্ষেত্রত কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— এইটো বিচাৰ কৰা হব।

* **শ্রীমতী বেনুপমা ৰাজখোৱা** ঃ— অধ্যক্ষ মহোদয়, ১৯৯২ চনত আৰক্ষীৰ জিম্মাত বাহানা মিলিটেৰি কেম্পত প্রকাশ বৰুৱা নামৰ এজন লৰাৰ মৃতু হৈছিল। চৰকাৰৰ ফালৰ পৰা তাৰ ক্ষতিপুৰণ আজিলৈকে দিয়া হোৱা নাই। মুখ্যমন্ত্রী মহোদয়ক উক্ত পৰিয়ালক এটা চাকৰি দিয়াৰ বাবে আবেদন কৰিছিলো। কিন্তু এতিয়ালৈকে একো কৰা নাই। ক্ষতিপুৰণ বা চাকৰি দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, কাষ্টদিয়েল দেখৰ এতিয়ালৈকে কাকো দিয়া হোৱা নাই। সেই কাৰণে এতিয়ালৈকে ব্যৱস্থা লোৱা হোৱা নাই।

* **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ— অধ্যক্ষ মহোদয়, দেখা গৈছে যে, কালপ্রিটক বিচাৰি নাপাই পৰিয়ালৰ মানুহক ধৰি আনি নানা অত্যাচাৰ থানাত কৰা হয়। এইটো অকল নলৰাৰী বা মোৰ সমষ্টিতে নহয় সমগ্র অসমতে এনে ঘটনা হৈছে। গতিকে মুখ্য মন্ত্রী মহোদয়ে পুলিচক এটা নির্দ্দেশ দিব নেকি যে, কালপ্রিটক ধৰাৰ পৰিবর্ত্তে পৰিয়ালৰ অনান্য লোকক যাতে ধৰি আনি অত্যাচাৰ নকৰে। এই সম্পর্কত মন্ত্রী মহোদয়ে আশ্বাস দিবনে?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— পৰিয়ালৰ লোকক ধৰি আনি মাৰপিট কৰাৰ কোনো নিয়ম নাই।

* **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ— অধ্যক্ষ মহোদয়, ইণ্টাৰগেচন কৰাত আপত্তি নাই কিন্তু এনে কিছুমান ঘটনা হৈছে যে, ঘটনা সম্পর্কত একো নজনা লোককো ধৰি আনি থানাত মাৰপিত কৰে। এনে ধৰণৰ ঘটনা সমগ্র অসমতে হৈছে।

  There people are not beaten up by police for no cause of there own.

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, কালপ্রিটকো মাৰপিট কৰাৰ নিয়ম নাই। যদিহে পৰিয়ালৰ লোকক ধৰি আনি মাৰপিট কৰাৰ গোচৰ আছে তেনেহলে মই বিবেচনা কৰি চাম।

---

* Speech not corrected

* **শ্রীচন্দ্রমোহন পাটোৱাৰী** ঃ— অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয়ে আচল প্রশ্নটো এভইদ কৰিছে। আমাক এচিৱবেল্স দিব কিয় নোৱাৰে?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্যমন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, প্রশ্নৰ উত্তৰত এইটো কোৱা হৈছে।

* **শ্রীগিয়াছ উদ্দিন আহমেদ** ঃ— অধ্যক্ষ মহোদয়, বেলেগ বেলেগ কেচত বেলেগ বেলেগ ধাৰা মতে গ্রেপ্তাৰ কৰা হয়। কিন্তু অবর্ণনীয় শাৰিৰীক নির্য্যাতন যাতে দিব নোৱাৰে তাৰ বাবে কিবা নির্দ্দেশ দিবনেকি?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্যমন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, গোচৰ থাকিলে একচন লব লাগিব।

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা** ঃ— অধ্যক্ষ মহোদয়, আজি কিছু দিনৰ আগতে নগাওঁ জিলাৰ তিনি জন লৰা ঘৰৰ পৰা হঠাতে নাইকীয়া হল। এই সম্পর্কে অনুসন্ধান কৰিবনে?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্যমন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্রশ্ন।

* **শ্রীবদন বৰুৱা** ঃ— অধ্যক্ষ মহোদয়, যোৱা ছয় চেপ্তেম্বৰ তাৰিখে হাজোৰ পুলিচে এজন শিক্ষকক ধৰি আনি মাৰপিট কৰি চেল্লেচ কৰি দিয়াত সেই শিক্ষক জন এতিয়া জি, এম, চিৰ নিউৰলজিকেল বিভাগত পৰি আছে। এই বিষয়ে এটা অনুসন্ধান কৰিবনে? শিক্ষকজনক চিকিৎসাৰ বাবদ সাহায্য দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্যমন্ত্রী) ঃ অধ্যক্ষ মহোদয়, বিষয়টো অনুসন্ধান কৰা হ'ব।

Mr. Speaker : Now Starred Question No 4. Questioner Shri Ram pyare Rabidas.

Re.: Fire Service Station at R.K. Nagar.

Shri Ram Pyare Rabidas asked :

* 4. Will the Chief Minister be pleased to state :

(a) What action has been taken by Govt. for setting up a fire service station at R.K. Nagar?

(b) Whether the proposal was already sent to the Finance Department for placing necessary fund to materialise it?

(c) If not, why and
If yes, when ?

---

* Speech not corrected

(d) Whether the Finance Department has already sanctioned the fund for the purpose ?

Shri Hiteswar Saikia (Chief Minister) replied.

(a) Estimated expenditure etc. have been worked out for setting up of a Fire station at Ram Krishna Nagar.

(b) For provision of Fund, S. D. proposal has been submitted.

(c) Does not arise.

(d) Does not arise.

* শ্রীৰাম প্যাৰে ৰবিদাস ঃ– অধ্যক্ষ মহোদয়, এই বছৰতে আৰ, কে নগৰত ফায়াৰ চার্ভিচ ষ্টেচনটো স্থাপন কৰাৰ বাবে মুখ্য মন্ত্রী মহোদয়ে আশ্বাস দিবনে?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ– এইটো চাপ্লিমেণ্টৰী দিমাণ্ডত দিয়া হৈছে।

* শ্রীমনসিং ৰংপি ঃ– অধ্যক্ষ মহোদয়, এই ফায়াৰ চার্ভিচ ষ্টেচনটো আজিলৈকে বোকাজানত হৈ নুঠিল। গতিকে মাননীয় মুখ্যমন্ত্রী মহোদয়ে এই বছৰৰ ভিতৰতে বোকাজানত এইটো কৰাৰ বাবে আশ্বাস দিবনে?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ – নতুনকৈ আৰু কিছু লোৱাৰ বাবে চেষ্টা কৰা হৈছে।

* **Shri Liyakat Ali Khan** : May I know from the Hon'ble Chief Minister whether there is any proposal for setting up police station at Dholai? If so, when it will be established?

* **Shri Hiteswar Saikia** (Chief Minister) **:** There is a demand for setting up police station. Now it is under process.

* **Shri Kali Ranjan Deb :** Sir I had been asking for establishment of a Fire Brigade Station at Kalain. Whether it will be established soon if fund is made available?

* **Shri Hiteswar Saikia** (Chief Minister) **:** We will have got some fund. Supplementary demand will be placed before the House. If we got fund that will be considered.

---

* Speech not corrected

* **Shri Kali Ranyan Deb** : Whether this will be done within this Financialy year?

* **Shri Hiteswar Saikia** (Chief Minister) : It depends upon the fund.

* শ্রীচিত্তেন্দ্র নাথ মজুমদাৰ ঃ— মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয় অনুগ্রহ কৰে জানাবেন কি যে হাইলাকান্দি জেলাৰ সীমান্ত অঞ্চল হিসাবে লালা শহৰে একটা ফায়াৰ সার্ভিস ষ্টেশন কৰাৰ কথাছিল। হাইলাকান্দি শহৰে আছে কিন্তু এই শহৰ থেকে প্ৰায় ৪০/৪৫ কিঃমি দূৰে লালায় একটা ফায়াৰ সার্ভিস ষ্টেশন অনতিবিলম্বে কৰা হবে কি?

* শ্রীনজমূল হ'ক ঃ— অধ্যক্ষ মহোদয়, আমাৰ তাত এখন গাড়ীৰ পিচত আনখন গাড়ী গৈ শেষ নহয় তথাপিও তাত আজিলৈকে এটা ফায়াৰ চার্ভিচ ষ্টেচন দিব পৰা নাই।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ— এইটো বিবেচনা কৰি থকা হৈছে।

* শ্রীবদন বৰুৱা ঃ— অধ্যক্ষ মহোদয়, কিছুমান ফায়াৰ চার্ভিচ ষ্টেচন টকাৰ অবাৱত সম্পূৰ্ণকৈ কৰিব পৰা নাই সেইবিলাক তুলি অনাৰ ব্যৱস্থা কৰিছে নেকি।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ— তেনেকুৱা প্ৰস্তাৱ নাই।

Mr. Speaker : Starred Question No. 5. Questioner Shri Pani Ram Rabha, Chief Minister is to reply..

বিষয় ঃ আৰক্ষী চকীক আৰক্ষী থানালৈ উন্নতিকৰণ।

শ্রীপানীৰাম ৰাভাই সুধিছে,

* ৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ১৯৯১-৯২ ইং চনত মাননীয় গৃহ মন্ত্রীয়ে বাগানপাৰা আৰক্ষী চকীক আৰক্ষী থানালৈ উন্নিত কৰাৰ বাবে সিদ্ধান্তলৈ বিধান সভাত তালিকা দাখিল কৰিছিল নেকি? যদি কৰিছিল আজিলৈ উন্নিত নোহোৱাৰ কাৰণ কি জনাবনে?

খ) নিকাচিত আৰক্ষী চকী স্থাপনৰ বাবে এচ, পি, ৰ পৰা তথ্য বিচাৰিছিল নেকি? যদি বিচাৰিছিল কি হ'ল জনাবনে?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ—

ক) কৰা নাই।

খ) নিকাচিত আৰক্ষী চকী স্থাপনৰ বাবে আৰক্ষী মহা-নিদেৰ্শকৰ পৰা প্ৰস্তাৱ পোৱা হৈছে আৰু ই চৰকাৰৰ বিবেচনাধীন হৈ আছে।

---

* Speech not corrected

* শ্রীপানীৰাম ৰাভা ঃ— অধ্যক্ষ মহোদয়, ১৯২-৯৩ চনতে বাগান পাৰা আৰক্ষী চকীৰ উন্নিত কৰাৰ বাবে কোনো ব্যৱস্থা গ্রহণ কৰা নহল। টিহুত এইটো কৰা হৈছে গতিকে বাগান পাৰা আৰক্ষী চকী উন্মীতকৰণৰ ব্যৱস্থা কৰিবনেকি?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, বাগানপাৰাত এইটো সমস্যা আছে। তাত এটা আউট পষ্ট কৰাৰ বাবে চৰকাৰৰ সিদ্ধান্ত আছে।

* শ্রীপানী ৰাম ৰাভা ঃ— মাননীয় অধ্যক্ষ মহোদয়, ভুটান বর্ডাৰৰ নামনিত নিকাছি এটা বৃহৎ অঞ্চল। এই অঞ্চলত যঠেষ্ট পৰিমানে মানুহৰ বসবাস আছে। তাৰোপৰি এই অঞ্চলত বিভিন্ন ধৰণৰ উগ্রপন্থী সংগঠনৰ ব্যক্তি সকল আছে আৰু ইয়াৰ যথেষ্ট পৰিমানে চুৰি ডকাইটি হৈ থাকে। এই অঞ্চলত মচলপুৰৰ পৰা পুলিচ বাহিনী গৈ নিৰাপত্তা দিব নোৱাৰে। ৰাইজে বাবে বাৰে আপত্তি কৰি থকা স্বত্তেও নিকাছিত পুলিচ থানা আজিলৈকে স্থাপন কৰা নাই। মাত্র প্রস্তাব আছে বিবেচনা কৰি থকা হৈছে বুলি কোৱা হৈছে। মই জানিব বিচাৰিছো এইটো বিবেচনাই হৈ থাকিব নে স্থাপন কৰা হ'ব, আৰু যদি হয় কেতিয়লৈকে হ'ব।

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, নিকাছিত আৰক্ষী চকী স্থাপনৰ বাবে গৃহ বিভাগে আৰক্ষী সঞ্চালক প্রধানৰ পৰা প্রস্তাৱ পাইছে। এই প্রস্তাৱ বিবেচনা কৰি থকা হৈছে আৰু সোনকালেই স্থাপন কৰা হ'ব।

* **শ্রীদিলীপ কুমাৰ শইকীয়া** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো, যে আমাৰ গোগামুখত কোনো আৰক্ষী চকী নাই। এতিয়া চৰকাৰে তাত মিচিং অটোনমাচ্ কাউঞ্চিলৰ হেড কোৱাটাৰ পাতিব বুলি কৈছে। গতিকে তাত সোনকালে আৰক্ষী চকী পতাৰ ব্যৱস্থা কৰিব নেকি?

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, এতিয়া কোনো প্রস্তাৱ নাই। হেডকোৱাটাৰ হলে ব্যৱস্থা কৰিব লাগিব।

Mr. Speaker : Starred Question No.6. Questioner Shri Munin Mahanta, Chief Minister is to reply.

বিষয় ঃ অপহৰণ নাৰী ধর্ষণৰ সংখ্যা ।

শ্রীমুনিন মহন্তই সুধিছে ঃ

* ৬। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) যোৱা ৬ মাহত ৰাজ্যখনত কিমানটা হত্যাকাণ্ড, অপহৰণ, নাৰী ধর্ষণ যৌতুক সম্পকীয় হত্যা সংঘটিত হৈছে?

* Speech not corrected

ৰাজ্যখনৰ কোন কোন আৰক্ষী থানাত এই গোচৰ সমূহ পঞ্জীয়ণ হৈছে। তাৰ পঞ্জীয়ন নং পঞ্জীয়ণৰ তাৰিখ সদনৰ মেজত দাখিল কৰিব।

খ) এই অপৰাধ সমূহৰ বাবে কিমানজন লোকক অৰক্ষীয়ে জেৰাৰ বাবে আনিছে আৰু কিমানজনক গ্ৰেপ্তাৰ কৰিছে আৰু কিমানটা গোচৰ সন্দৰ্ভত আৰক্ষীয়ে চাৰ্জিত দিছে, ফাইনেল ৰিপোৰ্ট দিছে?

(গোচৰ সমূহ পঞ্জীয়নৰ তাৰিখ, চাৰ্জিত দিয়াৰ তাৰিখ দি সদনৰ মেজত দিব)

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ১/৩/৯৫ তাৰিখৰ পৰা ৩১/৮/৯৫ লৈকে আৰক্ষী বিভাগে পঞ্জীভুক্ত কৰা মতে হত্যাকাণ্ড সংক্ৰান্তত ৰুজু হোৱা গোচৰৰ সংখ্যা এনে ধৰণৰ ঃ

হত্যাকাণ্ড	৫৭৪ টা
অপহৰণ	৫৪১ টা
নাৰী ধৰ্ষণ	২৪৯ টা
যৌতুক সম্পৰ্কীয় হত্যা	১৮ টা

(সদনৰ মেজত তথ্যৰ এটা প্ৰতিলিপি দাখিল কৰা হ'ল।)

খ) জেৰাৰ বাবে অনা লোকৰ সংখ্যা	—	১৬৬৯ জন
গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা	—	১৩৫৫ জন
চাৰ্জ চিৰ্ট (CS) দিয়া গোচৰৰ সংখ্যা	—	২৭৭ টা
ফাইনেল ৰিপ'ট (FR) দিয়া গোচৰৰ	—	৯৮ টা।

(সদনৰ মেজত বিচৰা মতে তথ্যৰ এটা প্ৰতিলিপি দাখিল কৰা হ'ল)

✱ **শ্ৰীমুনিন মহন্ত** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, নাৰী ধৰ্ষণ আৰু যৌতুক সম্পৰ্কীয় যিবোৰ হত্যাকাণ্ড হৈছে তাক ৰোধ কৰিবৰ বাবে দোষী সকলক দৃষ্টান্ত মূলক শাস্তি দিয়াৰ বাবে চৰকাৰে কিবা চিন্তা কৰিছে নেকি আৰু কেতিয়াৰ ভিতৰত কৰিব?

✱ **শ্ৰীহিতেশ্বৰ শইকীয়া** (মুখ্য মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, কোৰ্টেহে শাস্তি দিব। আমাৰ শাস্তি দিয়াৰ অধিকাৰ নাই।

✱ **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ— অধ্যক্ষ মহোদয়, আৰ্মচ লৈ যি সকলে বলাৎকাৰ আদি কৰি ফুৰিছে, সেই সকলৰ পৰা আৰ্মচ বিলাক বাজেয়াপ্ত কৰাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিছে নেকি? কেইদিন মান আগতে কাহিলীপাৰাৰ পাহাৰৰ ওপৰত আৰ্মচলৈ এনে ঘটনা ঘটি গৈছে। এই সন্দৰ্ভত চৰকাৰে কি ব্যৱস্থা কৰিছে?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ-- অধ্যক্ষ মহোদয়, হত্যাকাণ্ডৰ ঘটনা নকৰিলেও বিনা লাইচেঞ্চেত আৰ্মচ ৰাখিলে তেওঁলোকক ধৰা হ'ব।

* শ্রীমুনীন মহন্ত ঃ-- মাননীয় অধ্যক্ষ মহোদয়, কৰবী দুৰৰী হত্যাকাণ্ডৰ মূল অপৰাধীক এতিয়াও কৰায়ত্ত কৰিব নোৱাৰাটো পুলিচ বিভাগৰ ব্যর্থতা নেকি?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ-- অধ্যক্ষ মহোদয়, এই বিষয়ত পুলিচ বিভাগে চেষ্টা চলাই আছে।

(Starred Questions Nos. 7 to 20 would be disposed of as the Question Hour was over. However, the replies of said Questions deemed to have been laid on the table of the House)

Re.: Punjab Commando.

Shri Hitendra Nath Goswami asked :

* 7. Will the Chief Minister be pleased to state :

(a) Why the State Government has called the service of Punjab Comandos in the State of Assam ?

(b) Whether the State Government is satisfied with the role of these Commandos in the State for which their service has been requisitioned by the State Government ?

(c) Whether the State Government is aware that specific allegations have been levelled against these Commandos for committing rape and torture on the innocent civilians if so will the Government place a detailed report on it ?

(d) Under whose control the Punjab Commandos operate in the State of Assam?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) For the purpose of counter insurgency operation and maintenance of Law & order duty in the State.

(b) Yes.

(c) Yes. The allegations are under enquiry.

(d) Under operational control of the Director General of police, Assam.

বিষয় ঃ সীমান্তৱর্তী গাওঁত আৱক্ষী চকী স্থাপন ।

শ্রীআলাউদ্দিন সৱকাৰে সুধিছে ঃ

* ৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) গোলকগঞ্জ সমষ্টিৰ সীমান্তবর্ত্তী বাউসেৰ কুটি গাওঁ অঞ্চলৰ ৰাইজে উক্ত গাওঁত আৱক্ষী চকী এটি স্থাপনৰ বাবে কৰা আবেদন চৰকাৰে পাইছেনে?

(খ) যদি পাইছে, উক্ত চকী স্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

(গ) উক্ত চকী খৰতকীয়াকৈ স্থাপনৰ বাবে এটি সীমা নির্দ্ধাৰণ কৰিবনে?

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে –

(ক) হয়, ধুবুৰী জিলাৰ আৱক্ষী অধীক্ষকে গোলকগঞ্জ সমষ্টিৰ সীমান্তবর্ত্তী বাউসেৰ কুটি গাওঁ অঞ্চলৰ ৰাইজৰ পৰা উক্ত অঞ্চলত এটা আৱক্ষী চকী স্থাপনৰ বাবে আবেদন পাইছে।

(খ) ধুবুৰী জিলাৰ আৱক্ষী অধীক্ষকে এই সম্পর্কে এটি প্রস্তাৱ যুগুটাই আছে। এই প্রস্তাৱ পৰীক্ষা কৰি যাবতীয় ব্যৱস্থা গ্রহণ কৰা হব।

(গ) চৰকাৰলৈ প্রস্তাৱ আহিলে বিবেচনা কৰি চোৱা হব।

বিষয় ঃ অত্যাধুনিক অস্ত্র-সস্ত্র ক্রয় কৰাৰ বাবে পুজি।

শ্রীৱমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

* ৯। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) কেন্দ্রীয় চৰকাৰে অসম চৰকাৰক অত্যাধুনিক অস্ত্র-সস্ত্র ক্রয় কৰাৰ কাৰণে পুজি দিয়া কথাটো সচাঁ নে?

(খ) যদি সচাঁ, কিমান পুজি দিছে জনাবনে ?

(গ) উক্ত পুজিৰে কি কি অত্যাধুনিক অস্ত্র-সস্ত্র ক্রয় কৰিছে?

(ঘ) অসমৰ পুলিচে উগ্রপন্থী সকলৰ লগত মোকামিলা কৰাৰ কাৰণে চৰকাৰে কি বিশেষ ব্যৱস্থা গ্রহণ কৰিছে জনাবনে?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়, সচাঁ।

খ) কেন্দ্রীয় চৰকাৰে অসম চৰকাৰক অত্যাধুনিক অস্ত্র-সস্ত্র ক্রয় কৰাৰ কাৰণে দিয়া পুজিৰ পৰিমান তলত দেখুওৱা হ'ল।

১৯৯১-৯২ বিত্তীয় বর্ষত ..... ৪,৪২,৪৬,১৫০.০০ টকা

১৯৯৩-৯৪ বিত্তীয় বর্ষত ..... ৬,০০,০০,০০০.০০ টকা

মুঠ – ১০,৪২,৪৬,১৫০.০০ টকা

(দহ কৌটি বিয়াল্লিছ লাখ ছয়চল্লিছ হাজাৰ এশ পঞ্চাছ টকা)

(গ) নিৰাপত্তাজনিত গোপনীয়তা ৰক্ষাৰ স্বাৰ্থত তথ্য দিয়া নহ'ল।

(ঘ) উগ্রপন্থী সমস্যাৰ মোকামিলা কৰিবলৈ অসম আৰক্ষীৰ আদুনিকীৰণৰ, উন্নত মানৰ সর্বাধুনিক প্রশিক্ষণৰ ব্যৱস্থা, অত্যাধুনিক অস্ত্র-সস্ত্রৰ ব্যৱহাৰ, সংযোগ ব্যৱস্থাৰ উন্নতি সাধনত মনোনিৱেশ কৰাৰ উপৰিও অর্ধ-সামৰিক বাহিনীৰ সহায় লোৱা হৈছে।

বিষয় ঃ পাৱাৰলুম কেন্দ্র।

শ্রীচন্দ্র মোহন পাটোৱাৰীয়ে সুধিছে ঃ

* ১০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) অসমত বর্ত্তমানলৈ কিমনটা "পাৱাৰলুম" কেন্দ্র আছে? তাৰ ভিতৰত কিমনটা চৰকাৰী খণ্ডত আৰু কিমনটা বেচকাৰী খণ্ডত?

খ) উক্ত কেন্দ্র সমুহত কিমানখন পাৱাৰলুম আছে? এই পাৱাৰলুম বোৰৰ বার্ষিক উৎপাদন ক্ষমতা কিমান ?

এই ক্ষেত্রত ভাৰতৰ অন্য ৰাজ্যৰ নিচিনাকৈ ইয়াৰ যথাযথ সম্প্রসাৰনৰ বাবে চৰকাৰৰ হাতত নতুন আঁচনি আছে নেকি?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী, হস্ত-তাঁত বস্ত্র শিল্প আৰু ৰেচম বিভাগ)য়ে উত্তৰ দিছে ঃ

ক) অসমত বর্ত্তমানলৈ ৫১ টা পাৱাৰলুম কেন্দ্র আছে। ইয়াৰে চৰকাৰীখণ্ডত ৩ টা আৰু বেচৰকাৰী খণ্ডত ৪৮ টা কেন্দ্র আছে।

খ) অসমত বর্ত্তমান ১৫৫৪ খন পাৱাৰলুম আছে। এই পাৱাৰলুম বোৰৰ বার্ষিক উৎপাদন ক্ষমতা ২৭.২৫ মিলিয়ন মিটাৰ।

গ) বেচৰকাৰী পাৱাৰলুম কেন্দ্র বোৰ স্থাপনৰ সময়ত প্রতিখন পাৱাৰলুমক দহ হাজাৰ টকাকৈ চৰকাৰী সাহার্য্য দিয়া হয়। ইয়াৰ উপৰিও চৰকাৰৰ উদ্যোগিক নীতি অনুসৰি বিভিন্ন সাহার্য্য আগবঢ়োৱা হয়। চৰকাৰে বিবেন্দ্রীকৃত বয়ন প্রকল্পৰ দ্বাৰা পাৱাৰলুম সম্প্রসাৰন আঁচনি লৈছে।

Re : Purchase of Arms.

Shri Derhagra Mochahlarg asked :

* 11. Will the Chief Minister be pleased to state:
  a) Whether Government have proposed to purchase modern type of arms for the Assam police force with modern type of technical training to combate the extremists?
  b) If yes, how many numbers of arms will be purchased?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes.

b) If is under process.

Re.: Judicial enquiry.

Shri Sashakamal Handique asked :

* 12. Will the Chief Minister be pleased to state :—
  a) Whether Govt. has contempleting to institute judicial enquiry against the torture of PUNJAB COMMANDO to innocent people of N.C. Hills, specific rape charge at Bongaigaon?
  b) How many extremist have been nabed or unarmed by the Punjab Commando till now?

Shri Hiteswar Saikia (Chief Minister) replied :

a) No.

b) 13 (thirteen) extremists were apprchended by Punjab Commandos and handed over them to the State Police.
(Statted Question 13 was Diferred)

বিষয় ঃ উইভিং চোচাইটিৰ সংখ্যা।

শ্রীপৰিমল শুক্ল বৈদ্যই সুধিছে ঃ

* ১৪। মাননীয় ৰেচম আৰু বয়ন শিল্প বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ
  ক) কাছাৰ জিলাত কিমান উইভিং চোচাইটি আছে? চোচাইটি বিলাকৰ নাম কি কি?

খ) উক্ত চোচাইটিৰ সম্পাদক সমূহৰ ঠিকনা কোন কোন চোচাইটিক কি কি অনুদান আগবঢ়াইছে পৃথক পৃথক কৈ জনাবনে?

শ্রীহিতেশ্বৰ শইকীয়া (মন্ত্রী, হস্ততাঁত বস্ত্র শিল্প আৰু ৰেচম বিভাগ)য়ে উত্তৰ দিছে ঃ

ক) উঃ ৮৫ খন। (নাম বোৰ/ঠিকনা সহ ক তালিকাত দেখুওৱা হ'ল)

খ) সদনৰ মজিয়াত দাখিল কৰা বিস্তৃত তালিকা 'ক'ত উল্লেখ কৰা হৈছে।

গ) সদনৰ মজিয়াত দাখিল কৰা বিস্তৃত তালিকা 'খ' ত উল্লেখ কৰা হ'ল।

বিষয় ঃ ভোটদাতাক ফটো পৰিচয় পত্র।

শ্রীবদ্রি নাৰায়ণ সিং সুধিছে ঃ

* ১৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) মুখ্য নির্ব্বাচনী অযুক্তৰ নির্দেশমতে অসমত ভোটদাতা সকলক ফটো আইদেনটিটি কার্ড দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছে নেকি?

খ) যদি কৰিছে, কি কি ব্যৱস্থা কৰিছে?

গ) যদি কৰা নাই, কিয়?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ-

ক) ব্যৱস্থা কৰা হৈছে।

খ) ভোটদাতা সকলক ফটো সহ পৰিচয় পত্র (Photo Identity Card)) আৰু দিয়াৰ বাবে নিবিদা যোগে তিনিটা প্রতিস্থানক ফটো সহ পৰিচয় পত্র প্রস্তুত কৰিবলৈ কামৰ নির্দেশ দিয়া হৈছে। উচ্চ ন্যায়লয়ৰ ইং ১৯-৭-৯৫ তাৰিখৰ স্থিতাৱস্থাৰ (Status quo) আদেশ অনুসৰি ফটোসহ পৰিচয় পত্র প্রস্তুতকৰণৰ কাম বর্ত্তমানে বন্ধ আছে।

Re.: Enquiry by special vigilance cell

Shri Dewan Joynal Abedin asked :

* 16. Will Hon'ble Chief Minister be pleased to state :

a) Is if fact that the Govt. of Assam has forwarded various allegation against Sri S.M. Hobibul Hoque, the Deputy Director of Madrassa Education, Assam (Now under suspension) to the Special Vigilance Cell of the Govt. of Assam?

b) If so, has any report been submitted by the Vigilance Cell to the Govt.?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes.

b) The enquiry is in progress.

Re.: Election to Bodoland Council.

Shri Karendra Basumatary asked :

*17. Will the Chief Minister be pleased to state :

a) Whether Notification for holding election to Bodoland Autonomus Council is being published soon or declared by the Government ?

b) If so, when? (Mention time and date).

Shri Hiteswar Saikia (Chief Minister) replied :

a) Notification regarding election to Bodoland Autonomus Council will be issued as soon as the formalities for notification of Constiturencies are completed.

বিষয় ঃ শৰণার্থী আশ্রয়।

শ্রীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ

* ১৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

ক) ভুটানৰ পৰা বহুত শৰণার্থী আহি অসমত আশ্রয় লৈছে বুলি বাতৰি কাকতত ওলাইছে। এই কথাটো সঁচানে? যদি সঁচাকে শৰণার্থী আহিছে ভাৰত চৰকাৰৰ লগত আলোচনা কৰি ভুটান চৰকাৰক উক্ত শৰণার্থী সকলক উভোতাই নিয়াৰ ব্যৱস্থা কৰা হৈছে নে?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ভুটানৰ পৰা অহা কোনো শৰণার্থীয়ে আমাৰ অসম ৰাজ্যত আশ্রয় লোৱা নাই। এই পৰিপেক্ষিতত কেন্দ্রীয় চৰকাৰৰ লগত আলোচনা কৰাৰ প্রশ্ন নুঠে।

Re.: Torture of Student Leaders.

Shri Dipendra Rongpi and
Shri Monsing Rongpi asked :

*20. Will the Chief Minister be pleased to state :

a) Is the Government aware that 3(three) student leaders of N.C. Hills district namely Mr. Prakanta Warisa, President, N. C. Hills Students Federation (NCHSF), Mr. Jyotirmoy khersa. G.S. Dimasa Student's Union (DSU) and Mr. Mohendra Daulagapu, Members DSU were forcibly taken away be the security personnel from Mahur railway station and brutally, tortured by the Assam Rifles on the 16th Augest, 1995?

b) Is the Government also aware that among the 3 (three) student leaders 2(two) of them namely Mr. Prakanta Warisa, President, NCHSF and Mr. Jyotirmoy khersa, G.U. DSU are signaturies of Mou signed on the 1st April, 1995 in New Delhi between Autonomy movement leaders and Government of Assam?

c) If so, what actions have been taken so far the Government against the alleged Assam Rifles personnels?

d) Will Government assure us that the alleged Assam Rifles personnels will be identified and punished as per legel procedure?

Shri Hiteswar Saikia (Chief Minister) replied :

a) No. However two student leaders namely Mr. Prakanta Warisa and Mr. Jyotirmoy khersa were detained bt the Assam Rifles personnels on 16.8.95 at Mahur Railway Station.

b) It is a fact that Mr. Prakanta Warisa, President (NCHSF) is : one of the signatories of the MOU signed on 1st April, 1995 in New Delhi between Autonomy Movement leaders and Govt. of Assam.

c) Deputy Commissioner, N. C. Hills has instituted a Magisterial enguiry into the incident.

d) Does not aries as the matter is under enquiry.

বিষয় ঃ চুৰি, ডকাইটি, বোমা, বিস্ফোৰণ, ধৰ্ষণ, গুলিচালনাৰ ঘটনা।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে ঃ

১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বৰ্ত্তমানলৈকে ৰাজ্যখনত মুঠতে কিমানটা (১) চুৰি, (২) ডকাইটি, (৩) বোমা বিস্ফোৰণ, (৪) গুলিচালনা আৰু (৫) ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে ? (তথ্য -চন ভেদে পৃথক পৃথকৈ দিব)

খ) এই ঘটনা সমূহত মুঠতে কিমান ব্যক্তিৰ মৃত্যু হৈছে?
(কোন ঘটনাত কিমানৰ মৃত্যু হৈছে — তথ্য, পৃথক পৃথককৈ দিব)

গ) চুৰ/ডকাইটিৰ ঘটনাত জড়িত কিমান ব্যক্তিক কৰায়ত্ব কৰিবলৈ পুলিচ সক্ষম হৈছে।

ঘ) গুলিচালনাৰ ঘটনা কিমানটা-পুলিচ/সামৰিক/অৰ্ধ-সামৰিক বাহিনীৰ দ্বাৰা আৰু কিমনটা উগ্রপন্থীৰ দ্বাৰা সংঘটিত হৈছে।

ঙ) সংঘটিত হোৱা ধৰ্ষণৰ ঘটনাৰ কিমানটা পুলিচ/সামৰিক/অৰ্ধ-সামৰিক বাহিনীৰ দ্বাৰা হৈছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ৩১ আগষ্টলৈকে ৰাজ্যখনত সংঘটিত (১) চুৰি (২) ডকাইটি (৩) বোমা বিস্ফোৰণ (৪) পুলিচ, সামৰিক, অৰ্ধ-সামৰিক, কেন্দ্রীয় সংৰক্ষিত বাহিনী, পঞ্জাৱ কমাণ্ডো বাহিনী তথা উগ্রপন্থীৰ দ্বাৰা হোৱা মুঠ গুলিচালনা আৰু (৫) ধৰ্ষণৰ ঘটনাৰ সংক্রান্তত পুলিচে পঞ্জীহুক্ত কৰা গোচৰৰ সংখ্যা চন অনুসৰি তলৰ তালিকাত দেখুৱা হ'ল।

বছৰ	চুৰি	ডকাইটি	বোমা	বিস্ফোৰণ	গুলিচালনা	ধৰ্ষণ
১৯৯১ (১-৭-৯১ৰ পৰা ৩১-১২-১৯৯১)লৈ	-	৩৯৫৩	২৭৭	১৭	১০৮	২৩৩
১৯৯২	-	৮৫০৫	৬৪৯	২৭	১৯১	৪৪৩
১৯৯৩	-	৭৫৫৭	৬৯৬	৫	১২৬	৫০৮
১৯৯৪	-	৭০৩৫	৭৮০	১৩	২০২	৪৫৯
(৩১-৮-৯৫ লৈকে	-	৪৯১৫	৫০৭	১২	১৩৭	৩২০

খ) ওপৰত উল্লেখিত সময়ছোৱাত চুৰি সংক্ৰান্তত - ১৪ জন, ডকাইটিত ৮৯ জন, বোমাবিস্ফোৰণত - ১৩৫ জন, গুলিচালনাত - ৬৬ জন, আৰু ধৰ্ষণ সংক্ৰান্তত - ১৪ জনৰ (মহিলাৰ) মৃত্যু হয়।

গ) চুৰিৰ গোচৰ সংক্ৰান্তত ২৮৬০৮ জন আৰু ডকাইটিৰ গোচৰ সংক্ৰান্তত ৭৩২১ জন অপৰাধীক পুলিচে গ্ৰেপ্তাৰ কৰিছে।

ঘ) গুলিচালনা ঘটনা বোৰৰ ভিতৰত ৩৩৪ বাৰ পুলিচৰ দ্বাৰা, ৫৭ বাৰ সামৰিক বাহিনীৰ দ্বাৰা, ৩০ বাৰ অৰ্ধ-সামৰিক বাহিনীৰ দ্বাৰা, ৪ বাৰ পঞ্জাৰ কমাণ্ডোৰ বাহিনীৰ দ্বাৰা ৩৩০ বাৰ উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত হয়।

ঙ) ওপৰোক্ত সময়ছোৱাত ধৰ্ষণৰ অভিযোগ সংক্ৰান্তত পুলিচে সামৰিক বাহিনীৰ লোকৰ বিৰুদ্ধে - ১৪ টা, অৰ্ধ-সামৰিক বাহিনীৰ লোকৰ বিৰুদ্ধে - ২ টা, কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ লোকৰ বিৰুদ্ধে - ৩ টা, পুলিচৰ বিৰুদ্ধে - ১১ টা আৰু পঞ্জাৰ কমাণ্ডো বাহিনীৰ বিৰুদ্ধে ১ টা গোচৰ পঞ্জীভুক্ত কৰিছে।

বিষয় ঃ অগ্নি নিৰ্বাপক কেন্দ্ৰ স্থাপন।

শ্ৰীমধুসূদন তেওয়াৰীয়ে সুধিছে ঃ

২। মাননীয় গৃহবিভাগেৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

ক) বিগত বাজেট অধিবেশনের সময় সদনে মাননীয় মুখ্যমন্ত্রী মহোদয় ঘোষনা করিয়াছিলেন যে পাথার কান্দিতে এই আর্থিক বৎসৱেই অগ্নি নির্বাপক কেন্দ্র স্থাপন করা হইবে। কিন্তু এমনও স্থাপন করা হয় নাই, অবগত আছেন কি?

খ) যদি অবগত কখন স্থাপন কৰা হইবে জানাবেন কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ—

ক) পাথার কান্দিত অগ্নি নির্বাপক কেন্দ্রটো এতিয়াও খুলিব পৰা হোৱা নাই যদিও চেষ্টা চলাই থকা হৈছে।

খ) বিত্তীয় অৱস্থা ভাল হলেই কেন্দ্রটো খোলাৰ ব্যৱস্থা লোৱা হব।

বিষয় ঃ তথ্য আৰু জনসংযোগ বিভাগত আৱণ্টিত টকা।

মোঃ মহিবুল হক্কে সুধিছে ঃ

৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে?

ক) ১৯৯১-৯২, ৯২-৯৩-৯৪, আৰু ৯৪-৯৫ বছৰ কেইটাত বছৰ ভিত্তিত তথ্য আৰু জনসংযোগ বিভাগত কিমান টকা আৱন্টন দিয়া হৈছিল?

খ) উক্ত সময়ছোৱাত কোন কোন জিলাত কিমান কিমান টকা আৱন্টন আৰু টকা মুকলি কৰি দিয়া হৈছিল।

গ) উক্ত সময়ছোৱাত চৰকাৰে কিমান টকা ডাইৰেকটৰী (DIPR) আৰু কিমান টকা জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া (DIPRO) ৰ নামত ধার্য্য কৰা হৈছিল, জনাব নে? (জিলা ভিত্তিত তথ্য দিব)।

ঘ) কি কি কাৰণত চহৰৰ অধিকাংশ FLS সমূহ বন্ধ হৈ আছে, জনাব নে?

ঙ) উক্ত FLS সমূহ কার্য্যক্ষম কৰাৰ লগতে ধুবুৰী তথ্য আৰু জনসংযোগ বিভাগটো শক্তিশালী কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লব নে?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ—

ক) ১৯৯১-৯২ — ২,৫৯,৯০,০০০.০০ টকা
১৯৯২-৯৩ — ৪,০৫, ৪৬,০০০.০০ টকা
১৯৯৩-৯৪ — ৪, ৯৫,৮৮,০০০.০০ টকা
১৯৯৪-৯৫ — ৭,৮৭,৪৮,১২০.০০ টকা

খ) বিশদ বিৱৰণ পৰিশিষ্ট Annexure 'খ'ত দেখুওৱা হৈছে। (See the Annexure -1)

গ) উক্ত সময়ছোৱাত জন সংযোগ বিভাগৰ সঞ্চালকালয়ৰ বাবে ধার্য্য কৰা টকাৰ পৰিমাণ এনে ধৰণৰ ঃ—

১৯৯১-৯২ — ৫২,০০,০০০.০০ টকা
১৯৯২-৯৩ — ১,৩৭,৫০,০০০.০০ টকা
১৯৯৩-৯৪ — ২,২৪,৫০,০০০.০০ টকা
১৯৯৪-৯৫ — ৫,১৪,৩০,০০০.০০ টকা

জিলা আৰু মহকুমা কার্য্যালয়ৰ নামত ধার্য্য কৰা টকাৰ পৰিমান পৰিশিষ্ট (Annexure) 'খ'ত দেখুওৱা হৈছে। ——

ঘ) প্রাকৃতিক দুর্যোগ আৰু যান্ত্রিক বিজুতিৰ বাবে সময়ে সময়ে আংক্ষিক ও অস্থায়ীভাবে FLS বন্ধ হব পাৰে।

ঙ) উক্ত FLS সমূহ কার্য্যক্রম কৰাৰ ব্যৱস্থা গ্রহণ কৰা হৈছে। অন্য জিলাৰ তুলনাত ধুবুৰী জিলা কার্য্যলয়ত কাৰীকৰী কর্মচাৰী অধিক থকাৰ হেতু উক্ত কার্য্যালয় পূনৰ শক্তিশালী কৰাৰ বাবে নতুন আঁচনি চৰকাৰৰ হাতত বর্ত্তমান নাই।

Re.: Cultural Centre.

Shri Mission Ranjan Das asked :

4. Will the Minister of Cultural Affairs be pleased to state :

a) What are the steps taken by the Government to start a Cultural Centre at Karimaganj as per assurance given during last budget Session?

b) Will it be started this year ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Steps for starting of a Cultural Centre at karimganj is in active progress.

b) It is expected to be started within this year.

Re.: Allotment of Quarter.

Shri Ram Pyare Rabi Das asked :

5. Will the Chief Minister be pleased to state :

a) What principles were adopted in allotting quarter in the Capital Complex ?

b) Is it fact that no seniority is maintained in allotting Government Quarter?

c) Is it fact that all quarters are allotted only after obtaining recommendation from the Hon'ble Chief Minister ?

d) How many Under Secretary/Deputy Secretaries are staying in type VIII (M)/VII (S) and VII (M) quarters in the Capital Complex ?

e) Is it a fact that several junior officer, were allotted Type VI quarters depriving senior officers during last 12 months?

If so, why ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Quarters are alloted as per principles adopted in Q.M. No. GAG (B) 300/87/14/, dtd. 9/13th March '89 and memo No. GAG (B) 175/89/31 - A dtd. Ist Aug/92 (Copy at annexure (A&B).

(See the Annexure -II) (See the Annexure - III)

b) As far as possible seniority is maintained.

c) No.

d)

Deputy Secretary :-	VII (S)	- 1 No.
	VII (M)	- 2 Nos.
Under Secretary :-	VIII (M)	- 6 Nos.
	VII (S)	- 1 No.
	VII (M)	- 5 No.

e) Such allotments were given sparingly on special ground.

বিষয় ঃ সামৰিক অৰ্ধসামৰিক বাহিনী।

শ্রীহিতেশ্বৰ ডেকাই সুধিছে ঃ

৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) চৰকাৰৰ নিয়মীয়া পুলিচ বাহিনীৰ উপৰিও ৰাজ্যখনত বৰ্ত্তমান মুঠতে কিমান সংখ্যক (১) সামৰিক, (২) অৰ্ধ সামৰিক বাহিনীৰ লোক আছে ?

খ) আৰু অধিক সংখ্যক সামৰিক/অৰ্ধ-সামৰিক/পঞ্জাৰ কমাণ্ডো বাহিনীৰ লোক বিচাৰ ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰাটো সঁচা নেকি?

গ) যদি, সঁচা-আৰু কিমান সংখ্যক এনে লোক বিচৰা হৈছে?

ঘ) ৰাজ্যখনত বৰ্ত্তমানে থকা সামৰিক/অৰ্ধ-সামৰিক বাহিনীৰ বাবদ প্রতি মাহে গড়ে চৰকাৰৰ পুজিৰ পৰা কিমান ধন ব্যয় হৈ আছে?

ঙ) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বৰ্ত্তমানলৈ এওঁলোকৰ বাবদ মুঠতে চৰকাৰৰ কিমান ধন ব্যয় হৈছে?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অৰ্ধ-সামৰিক বাহিনীৰ সংখ্যা ৮৫ টা।

খ) অর্ধ-সামৰিক বাহিনীৰ বাবে প্ৰয়োজন অনুসৰি সময়ে সময়ে যোগাযোগ কৰা হয়।

গ) অৰ্দ্ধ-সামৰিক বাহিনীৰ সৰ্ব্বমুঠ ৯৫ টা কোম্পানীলৈ বঢাবলৈ বুলি যোগাযোগ কৰা হৈছে।

ঘ) অৰ্ধ-সামৰিক বাহিনীৰ বাবে গড়ে মাহে প্ৰায় ১ কৌটি ৬০ লাখ টকা ব্যয় হয়।

ঙ) ১৯৯১ চনৰ ১ জুলাই পৰা ১৯৯৫ ৰ ৩১ আগষ্টলকে প্ৰায় ৯৬ কৌটি টকা ব্যয় হৈছে।

বিষয় ঃ গোষ্ঠী সংঘৰ্ষত ক্ষতিগ্ৰস্ত হোৱা পৰিয়াল ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯৪ চনৰ জুলাইৰ মাহত বৰপেটা জিলাৰ উত্তৰ অঞ্চলত হোৱা গোষ্ঠী সংঘৰ্ষত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ সংখ্যা কিমান?

খ) ক্ষতিগ্ৰস্ত পৰিয়াললৈ চৰকাৰী সাহায্য দিয়া হৈছে নে ?

গ) ক্ষতিগ্ৰস্ত সকলো পৰিয়ালে সাহায্য নোপোৱাৰ অভিযোগ উৎথাপিত হোৱা কথাটো সঁচানে?

ঘ) এই সম্পৰ্কে তদন্ত কৰি সকলো পৰিয়াললৈ চৰকাৰী সাহায্য দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীযুত হিতেশ্বৰ শইকীয়ায়ে (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ

ক) ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংখ্যা মুঠ ৬৯৮১ টা।

খ) এতিয়ালৈকে ৬৩২৯ টা পৰিয়ালক প্ৰত্যেককে ১০,০০০.০০ টকাকৈ সাহায্য দিয়া হৈছে। বাকী থকা ৬৫২ টা পৰিয়ালক সাহায্য দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

গ) ওপৰত থকা 'খ'ত দিয়া উত্তৰ মতে।

ঘ) ওপৰত থকা 'খ'ত উল্লেখ কৰা মতে বাকী থকা পৰিয়াললৈ সাহায্য দিয়াৰ ব্যৱস্থালোৱা হৈছে।

বিষয় ঃ সামৰিক, অৰ্দ্ধসামৰিক আৰু পঞ্জাৰ কমান্ডো বাহিনীৰ নামত খৰচ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত বৰ্ত্তমান কিমানটা সামৰিক, অৰ্দ্ধসামৰিক আৰু পঞ্জাৰ কমান্ডো বাহিনী আছে জনাবনে?

